بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৮ অক্টোবৰ ২০২২ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফৰ্ড (ইউ.কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁহজৰত (ছাঃ)ৰ মহান মৰ্যাদাপ্ৰাপ্ত খলিফা ৰাশিদ ছৈয়দিনা হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ ঈমান উদ্দীপক ঘটনাৱলী**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, বদৰী চাহাবা সন্দৰ্ভত হজৰত আবু বক্কৰ (ৰাঃ)ৰ বিষয়ে উল্লেখ হৈ আছিল আৰু তেখেতৰ মৰ্যাদাৰ কথা উল্লেখ হৈ আছিল। আঁহজৰত (ছাঃ)য়ে তেখেতক কেনেকুৱা মৰ্যাদাৰ স্থান দিছিল এই সম্পৰ্কে বৰ্ণনা, হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ এই গুণাৱলী আছিল যে মক্কাত অৱস্থান কৰা সময়ত আঁহজৰত (ছাঃ)য়ে প্ৰত্যেক দিন এবাৰ তেখেতৰ ঘৰত গৈছিল।

হজৰত উমৰু বিন আচে কৈছে যে নবী কৰিম (ছাঃ)য়ে তেখেতক জাতুছ্ছালাছিলৰ সেনা বাহিনীৰ কমাণ্ডৰ নিযুক্ত কৰি প্ৰেৰণ কৰিছিল; মই তেখেত (ছাঃ)ৰ ওচৰলৈ আহি কলো যে লোকসকলৰ মাজত আপোনাৰ ওচৰত সকলোতকৈ প্ৰিয় কোনজন ? তেখেত (ছাঃ)য়ে কলে আয়শা। মই কলো পুৰুষৰ মাজত, তেখেত (ছাঃ)য়ে কলে তাইৰ দেউতা। মই কলো তাৰ পিছত কোনে ? তেখেত (ছাঃ)য়ে কলে উমৰ বিন খাত্তাব আৰু তেখেতে এইদৰে আৰু কেইবাজন পুৰুষক অন্তৰ্ভুক্ত কৰিলে।

হজৰত ছালবি বিন আকু বয়ান কৰিছে যে আঁহজৰত (ছাঃ)য়ে কৈছে, আবু বক্কৰ সকলো লোক সকলৰ মাজত শ্ৰেষ্ঠ আৰু উত্তম তাৰ বাহিৰে যিজন নবী হয়। হজৰত আনাছ বিন মালিকে বৰ্ণনা কৰিছে যে ৰছুলে কৰিম (ছাঃ)য়ে কৈছে, মোৰ উম্মতত সকলোতকৈ বেছি দয়ালু আৰু কৃপালু আবু বক্কৰ হয়।

হজৰত আবু ছাঈদে বৰ্ণনা কৰিছে যে ৰছুলে কৰিম (ছাঃ)য়ে কৈছে, উচ্চ পৰ্যায়প্ৰাপ্ত সকলে এনেকুৱা উচ্চ মানদণ্ডৰ হ'ব যে, যিসকলে নিম্ন পৰ্যায়ৰ সিহঁতে তেওঁলোকক এনেদৰে চাব যেনেদৰে আকাশত উদয় হোৱা তৰাবোৰক চায় আকাশৰ কোণাত। আবু বক্কৰ আৰু উমৰ সেই সকলৰ

অন্তৰ্ভুক্ত। অৰ্থাৎ তেখেত সকল উচ্চ মানদণ্ডৰ। সিহঁতক লোক সকলে এনেকুৱা ভাৱে চাব যেনেদৰে আকাশত থকা তৰাবোৰ চাই থাকে। তেখেত (ছাঃ)য়ে কৈছে সিহঁত উভয়ে কিমানেই উত্তম।

হজৰত আবু হুৰায়ৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে ৰছুলে কৰিম (ছাঃ)য়ে কৈছে, কাৰো মোৰ ওপৰত এহছান নাই কিন্তু মই সিহঁতৰ প্ৰতিদান দি দিছো আবু বক্কৰৰ বাহিৰে। তেওঁৰ আমাৰ ওপৰত এহছান আছে আৰু তাৰ প্ৰতিদান কিয়ামতৰ দিন আল্লাহ তা'লাই দিব।

নবী কৰিম (ছাঃ)য়ে তেখেতৰ শেষ অসুখৰ সময়ত কৈছে, লোক সকলৰ মাজৰ কোনেও নাই যিয়ে আবু বক্কৰ বিন আবু কাহাফাতকৈ অধিক নিজৰ প্ৰাণ আৰু সম্পত্তিক পুণ্য কামৰ উদ্দেশ্যে বিসৰ্জন দিছে। যদি মই লোক সকলৰ মাজৰ কোনোবাক খলিল বনালো হয় তেন্তে আবু বক্কৰক নিশ্চয় খলিল বনালো হয়; কিন্তু ইছলামৰ বন্ধুত্ব সকলোতকৈ উৰ্দ্ধত। এই মছজিদত আবু বক্কৰৰ খিৰিকিৰ বাহিৰে সকলোবোৰ খিৰিকি বন্ধ কৰি দিয়া মোৰ ফালৰ পৰা।

নবী কৰিম (ছাঃ)য়ে কৈছে যে আবু বক্কৰ মোৰ মাজৰ আৰু মই তেওঁৰ মাজৰ,আবু বক্কৰ জগতত আৰু আখিৰতত মোৰ ভাই হয়। ছুনন তিৰমিজিৰ ৰিৱায়ত এয়া যে হজৰত আনাছ বয়ান কৰিছে যে ৰছুলে কৰিম (ছাঃ)য়ে হজৰত আবু বক্কৰ আৰু হজৰত উমৰৰ বিষয়ে কৈছে এই উভয়ে ছৰ্দাৰ হয় জান্নাতবাসীৰ বয়জেষ্ঠ সকলৰ আৰু আখিৰিন সকলৰ; নবী আৰু ৰছুলৰ বাহিৰে।

হজৰত আনাছৰ পৰা বৰ্ণিত যে ৰছুলে কৰিম (ছাঃ)য়ে মুহাজিৰ আৰু আনছাৰ সকলৰ মাজত নিজৰ চাহাবা সকলৰ ওচৰলৈ গৈছে আৰু সিহঁতৰ কাষত বহিছে, তাতে হজৰত আবু বক্কৰ আৰু উমৰ (ৰাঃ) উপস্থিত থকিছে; সিহঁতৰ মাজৰ কোনেও নিজৰ দৃষ্টি তেখেত (ছাঃ)ৰ ফালে নিক্ষেপ কৰা নাছিল হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)ৰ বাহিৰে। সিহঁত উভয়ে তেখেত (ছাঃ)ৰ ফালে চাই থাকিছে আৰু তেখেত (ছাঃ)য়েও সিহঁতৰ ফালে দৃষ্টি নিক্ষেপ কৰিছে; সিহঁতে তেখেত (ছাঃ)ৰ ফালে দৃষ্টি নিক্ষেপ কৰি মিচিকীয়া হাঁহি মাৰিছে আৰু তেখেত (ছাঃ)য়েও সিহঁতৰ ফালে চাই মিচিকীয়া হাঁহি মাৰিছে।

হজৰত ইবনে উমৰ (ৰাঃ)ৰ পৰা বৰ্ণিত যে ৰছুলে কৰিম (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ক কৈছে তুমি আবেগৰ সময়ত মোৰ লগৰীয়া আৰু মই গাৰত অৱস্থান কৰা সময়তো তুমি মোৰ লগৰীয়া।

হজৰত ইবনে উমৰৰ পৰা বৰ্ণিত যে ৰছুলে কৰিম (ছাঃ)এবাৰ বাহিৰলৈ যায় আৰু মছজিদত প্ৰৱেশ কৰে; হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ) এই দুয়োজনৰ এজনে তেখেতৰ সোঁফালে আছিল আৰু আনজনে তেখেতৰ বাওঁফালে আছিল আৰু তেখেত (ছাঃ)য়ে এই দুয়োজনৰে হাত ধৰি কৈছিল, এনেদৰেই আমাক কিয়ামতৰ দিনত উত্থিত কৰা হ'ব। হজৰত আব্দুল্লাহ বিন হানতিবৰ পৰা বৰ্ণিত যে নবী কৰিম (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)ৰ ফালে চাই কয়, এইজন উভয়ে কাণ আৰু চকু হয়,অৰ্থাৎ মোৰ নৈকট্যপ্ৰাপ্ত লগৰীয়া হয়।

হজৰত আবু ছাঈদ খুদৰি (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলে কৰিম (ছাঃ)য়ে কৈছে প্ৰত্যেক নবীৰ বাবে আকাশৰ ফালৰ পৰা দুজন উজিৰ থাকে,আৰু পাৰ্থিৱ জগততেও দুজন উজিৰ থাকে। আকাশৰ ফালৰ পৰা দুটা উজিৰ জিব্ৰাইল আৰু মিকাইল; আৰু পৃথিৱীৰ ফালৰ পৰা মোৰ দুজন উজিৰ আবু

বক্কৰ আৰু উমৰ হয়। সিহঁতক বেহেস্তৰ শুভ সংবাদও দিছিল।

হজৰত আনাছ (ৰাঃ)য়ে বয়ান কৰিছে যে নবী কৰিম (ছাঃ)য়ে উহুদৰ ওপৰত উঠে আৰু তেখেত (ছাঃ)ৰ সৈতে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ), হজৰত উমৰ (ৰাঃ) আৰু হজৰত উছমান (ৰাঃ) কঁপিব ধৰিলে। তেখেত (ছাঃ)য়ে কয় যে উহুদ স্থিৰ হৈ যোৱা (মই ভাৱো তেখেত (ছাঃ)য়ে উহুদৰ ওপৰত নিজৰ ভৰি মাৰিছিল) কাৰণ তোমাৰ ওপৰত আন কোনেও নাই, কেৱল এজন নবী আৰু এজন ছিদ্দিক আৰু দুজন শ্বহিদ  আছে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে এবাৰ হুজুৰ (ছাঃ)য়ে এখন বৈঠকত বেহেস্ত আৰু নিয়ামত (অনুগ্ৰহ সমূহ)ৰ কথা উল্লেখ কৰি আছিল, তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছিল হুজুৰ (ছাঃ) দোৱা কৰক মইয়ো যেন বেহেস্তত আপোনাৰ সৈতে থাকো। আঁহজৰত (ছাঃ)য়ে কয়, মই আশ্বাস দিও আৰু দোৱা কৰো যে তুমি মোৰ সৈতে থাকা। তাতে উপস্থিত থকা আন এজন চাহাবও কয় যে হুজুৰ (ছাঃ) মোৰ বাবেও দোৱা কৰক মইয়ো যেন আপোনাৰ সৈতে থাকিব পাৰো। আঁহজৰত (ছাঃ)য়ে কয় যে আল্লাহ তোমাৰ ওপৰতো কৃপা কৰক; কিন্তু যিজনে আগতে কৈছিল সেইজনেই দোৱা লৈ ললে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কয় যে এবাৰ ৰছুলে কৰিম (ছাঃ)য়ে কৈছে যে অমুক পুণ্য কৰাজন অমুক দুৱাৰেদি প্ৰৱেশ কৰিব আৰু অমুক পুণ্য কৰাজন অমুক দুৱাৰেদি প্ৰৱেশ কৰিব। তেখেত (ছাঃ)যে ভিন্ন ভিন্ন পুণ্য কামৰ বিষয়ে উল্লেখ কৰি কয় যে বেহেস্তৰ সাত খন দুৱাৰেদি বিভিন্ন পুণ্য কৰ্ম কৰোঁতা সকলে প্ৰৱেশ কৰিব। তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে কয় যে হে ৰছুলুল্লাহ (ছাঃ) ! যিজন ব্যক্তি গোটেইবোৰ পুণ্যৰ ওপৰত পৰিচালিত হয় তেওঁৰ সৈতে কেনেকুৱা আচৰণ হ’ব ? তেখেত (ছাঃ)য়ে কয় সেইজন ব্যক্তিক বেহেস্তৰ প্ৰত্যেক খন দুৱাৰৰ ফালে মাত দিয়া হ’ব আৰু হে আবু বক্কৰ মোৰ বিশ্বাস যে তুমিও সেই সকলৰ মাজতেই অন্তৰ্ভুক্ত।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ উল্লেখ পৰৱৰ্তীলৈ অব্যাহত থাকিব। হুজুৰ আনোৱাৰ (আইঃ)য়ে কিছুমান মৰহুমিন সকলৰ স্মৃতিচাৰণ উল্লেখ কৰি সিহঁতৰ জানাজা গায়েব পঢ়াৰ ঘোষণা কৰি কয় যে মই এতিয়া কিছুমান মৰহুমিন (মৃত ব্যাক্তিসকল)ৰ বিষয়ে উল্লেখ কৰিম।

১। মামনীয় আব্দুল বাছিত চাহাব আমিৰ জামাত আহমদীয়া ইণ্ডোনেচীয়া ৮ অক্টোবৰত ৭১ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। তেওঁ মৌলবী আব্দুল ওৱাহিদ ছামাটৰী চাহাবৰ পুত্ৰ আছিল। জামিয়া আহমদীয়া ৰাবোৱাৰ পৰা শ্বাহিদৰ পৰীক্ষাত উত্তীৰ্ণ হয় তাৰ পিছত নিজৰ দেশলৈ ওভতি যায়। থাইলেণ্ডত মুবাল্লিগ হিচাপে তেখেত নিযুক্ত হয়। থাইলেণ্ডত সেৱা আগবঢ়োৱাৰ পিছত ইণ্ডোনেচীয়ালৈ ওভতি যায় আৰু ইণ্ডোনেচীয়াত সেৱা কৰাত কাৰ্য্যৰত থাকে। এক দীৰ্ঘ সময় ইণ্ডোনেচীয়াৰ আমিৰে জামাত হিচাপে সেৱা আগবঢ়োৱাৰ সৌভাগ্য লাভ কৰে। তেওঁৰ সেৱা আগবঢ়োৱাৰ সময়কাল আছিল চল্লিচ বছৰ। নিজৰ স্ত্ৰীৰ বাহিৰে তিনিজন ল’ৰা আৰু দুজনী ছোৱালী এৰি থৈ যায়। তেওঁ জামাতৰ প্ৰতি বৰ সহানুভুতীশীল আছিল আৰু জামাতক সকলো বস্তুৰ ওপৰত প্ৰাধান্য দিছিল। মুবাল্লিগ সকলক বৰ সন্মান কৰিছিল, নিয়মিত আৰু বিনম্ৰতাৰ সৈতে কাম কৰোঁতা আছিল। জামাতৰ ব্যৱস্থাপনাৰ আৰু খলিফাক বৰ সন্মান কৰিছিল। জামাতৰ সম্পত্তিক

সুৰক্ষিতৰ প্ৰতি লক্ষ্য ৰাখিছিল। তেওঁ ইণ্ডোনেচীয়াৰ বাবে আধ্যাত্মিক পিতৃ স্বৰূপ আছিল। শাস্তি দিয়া সময়তেও সংশোধনৰ প্ৰতি লক্ষ্য ৰাখিছিল। যোৱা এবছৰ জুৰি ৰোগত আক্ৰান্ত আছিল; ৰোগ থকা কালীন অৱস্থাতো নিজৰ কৰ্তব্যত কোনো ধৰণৰ দুৰ্বলতা দেখুৱা নাই। হুজুৰ আনোৱাৰ (আইঃ)য়ে বিস্তাৰিত ভাৱে তেওঁৰ সেৱাৰ কৰাৰ কথা আৰু ঈমান উদ্দীপক ঘটনাৰ কথা উল্লেখ কৰি দোৱা কৰে যে আল্লাহ তা'লা মৰহুমৰ সৈতে মাগফিৰত (ক্ষমা)ৰ আচৰণ কৰক আৰু তেওঁৰ নিচিনা সেৱাকাৰী খলিফাক দান কৰি থাকে যেন।

২। মাননীয়া জয়নব ৰমজান ছায়েফ চাহিবা স্ত্ৰী মাননীয় ইউচুফ উচমান কামবালিয়া চাহাব মুবাল্লিগ ছিলছিলা তানজানিয়া যোৱা দিনত সত্তৰ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন।

৩। মাননীয়া হালিমা বেগম চাহিবা স্ত্ৰী শেখ আব্দুল কাদিৰ চাহাব দৰৱেশ কাদিয়ান। মৰহুম নামাজ ৰোজা নিয়মিত ভাৱে পালন কৰোঁতা, ধৈৰ্যশীল, আসন্ন স্বভাৱৰ আৰু ভাল চৰিত্ৰৰ মহিলা আছিল। যেতিয়ালৈকে সুস্বাস্থ্য আছিল তেতিয়ালৈকে কাদিয়ানত শিশু সকলক কোৰাণ কৰিম পঢ়াই থাকিছে। খলিফাৰ সৈতে বৰ ভালপোৱাৰ সম্পৰ্ক আছিল আৰু খলিফাৰ ফালৰ পৰা হোৱা প্ৰত্যেক তেহেৰিকত অংশ লৈছিল। দৰৱেশ সকলৰ সময়কাল বৰ ধৈৰ্য্যৰ সৈতে অতিবাহিত কৰিছে। তাই মুচী আছিল। তাইৰ ল'ৰা শেখ নাচিৰ ওহিদ চাহাব কাদিয়ান নুৰ হাস্তপাতালৰ কায়েম মকাম এডমিনিষ্টাৰ হিচাপে খিদমত কৰি আছে। তাইৰ তিনিজনী ছোৱালী যিসকলে বাহিৰত থাকে। আল্লাহ তা'লা মৰহুমাৰ সৈতে কৃপা আৰু ক্ষমাৰ আচৰণ কৰক।

৪। মাননীয়া মেলে এপিছা চাহিবা যিজনী যোৱা দিনত ৭১ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুমা কেৰিবাছৰ প্ৰথম আহমদী মুছলমান মহিলা আছিল। কাৰো মাধ্যমে কোৰাণ কৰিমৰ অনুবাদ পাই যায় যাক পঢ়ি তাই নিজেই ঈমান আনে আৰু পৰ্দা কৰা আৰম্ভ কৰি দিয়ে। মৰহুমা বৰ পুণ্যবান, বাহাদুৰ, মৰ্যাদাপ্ৰাপ্ত আৰু সহনশীলতা আহমদী আছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে সকলোবিলাক মৰহুমিনৰ মাগফিৰত আৰু উচ্চ মানগুৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844